# যোগাযোগ

**JOGAJOG**
**May : 2018**

**Vol : 10 No:8 Sl No: 115**

**Monthly Newsletter of Assam Association, Delhi**

*Edited By:*
**Hiron Dutta**
Ph: +91 8076347368, 9810452442

***This is a stopgap arrangement till Editor Dr Sangeeta Dutta, who is on leave, takes over again**
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com, assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com




## ধন্যবাদ!

অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত যোৱা ১৫ এপ্রিলৰ দিনা ইন্দিৰা গান্ধী ৰাষ্ট্রীয় কলা কেন্দ্রত আয়োজিত ৰঙালী বিহুৰ সাংস্কৃতিক সন্ধিয়াটি সাফল্যমণ্ডিত কৰি তোলাত যিসকলে দেহে-কেহে খাটি কাম কৰিলে তেখেতসকললৈ মই অসম এছোচিয়েছন, দিল্লীৰ তৰফৰপৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

অসমৰপৰা নিমন্ত্রণ কৰি অনা অতিথি শিল্পীদ্বয়কে ধৰি গীত-মাত-নৃত্য পৰিৱেশনকাৰী প্রতিগৰাকী শিল্পী আৰু বিশেষকৈ অকণ-অকণিসকলকো মই আন্তৰিক ধন্যবাদ জনাইছোঁ।

বিহুতলীৰ পৰিৱেশ মুখৰিত কৰি তোলা বিহুবলিয়া ৰাইজলৈ আৰু ৰঙালী বিহুৰ ব্যয়বহুল ৰাজহুৱা উদ্‌যাপনত আমাক আৰ্থিকভাৱে সহায় কৰা OIL, ONGC, GAIL আৰু NRLৰ প্রতিও আমাৰ কৃতজ্ঞতা থাকিল।

*শ্রী অচ্যুত কুমাৰ শইকীয়া*
*সভাপতি, অসম এছোচিয়েছন, দিল্লী*

### অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত

# উলহ-মালহেৰে ৰঙালী বিহু উদ্‌যাপন

এইবাৰ পহিলা বহাগ (১৫ এপ্ৰিল, ২০১৮) দেওবাৰে নতুন দিল্লীৰ ড. ৰাজেন্দ্ৰ প্ৰসাদ ৰ'ডস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ প্ৰাঙ্গনত অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত ৰঙালী বিহু উৎসৱ ২০১৮ উলহ -মালহেৰে অনুষ্ঠিত হৈ যায় আনুমানিক তিনি সহস্ৰাধিক বিহুপ্ৰেমী দৰ্শকৰ উপস্থিতিত।




জয় জয়তে এছোচিয়েছনৰ সভাপতি শ্ৰী অচ্যুত কুমাৰ শইকীয়াদেৱে উপস্থিত দৰ্শকসকলক ৰঙালী বিহুৰ ওলগ আৰু অসমীয়া নতুন বছৰৰ শুভেচ্ছাৰে সকলোকে বিহুতলীত আদৰণি জনায়। আদৰণি ভাষণত তেখেতে ৭০ টি বসন্ত গৰকা অসম এছোচিয়েছনৰ ক্ৰমবিকাশৰ এটি চমু আভাস দাঙি ধৰাৰ লগতে এছোচিয়েছনক বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে সহায়-সহযোগ আগবঢ়াই অহা ব্যক্তি তথা সংস্থাসমূহৰ বিশেষ শলাগ লয়। বিহু উৎসৱৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয় আমন্ত্ৰিত মুখ্য অতিথি অইল ইণ্ডিয়া লিমিটেড (OIL) ৰ অধ্যক্ষ তথা ব্যৱস্থাপক সঞ্চালক শ্ৰী উৎপল বৰা দেৱৰ দ্বাৰা এগছি বন্তি প্ৰজ্বলনেৰে। তেখেতক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। লগতে এছোচিয়েছনৰ ৰঙালী বিহু উপলক্ষে প্ৰকাশ



কৰা স্মৰণিকা *"সাঁকো"* উন্মোচন কৰে ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) ড. মুকুন্দ কাম শৰ্মাদেৱে। তেখেতকো এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি সেইদিনাৰ অনুষ্ঠানত উপস্থিত থকা যশস্বী অসমীয়া অভিনেত্ৰী শ্ৰীমতী চেতনা দাস, সাংসদ শ্ৰী ভূৱনেশ্বৰ কলিতা, অসম চৰকাৰৰ অতিৰিক্ত আৱাসিক আয়ুক্ত শ্ৰীমতী ঋতিকা কলিতা, দিল্লী পুলিচৰ সংযুক্ত আয়ুক্ত শ্ৰী হিবু তামাঙ আৰু ভাৰতীয় গেছ প্ৰাধিকৰণ (GAIL)ৰ বৰিষ্ঠ প্ৰবন্ধক শ্ৰীমতী গীতিমা দাসকো ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

সাংস্কৃতিক কাৰ্যক্ৰমৰ আৰম্ভণি কৰা হয় অসম এছোচিয়েছনৰ সদস্য/সদস্যাসকলৰ দ্বাৰা পৰিবেশিত এটি সমৱেত গীতেৰে। বিনোদ ভৰদ্বাজ পৰিচালিত সমৱেত গীত পৰিৱেশনত




ভাগ লোৱা শিল্পীসকল আছিল- শ্ৰাৱনী বৰা, ইন্দ্ৰানী কৌশিক, বৰ্ণালী দত্ত, কস্তুৰী ৰাজকুমাৰী, ইপ্সিতা দেৱী, অনিতা দাস, মনিদীপা গোস্বামী, জোনালী কৌশিক, ৰীম পাঠক, নিকুমনি দত্ত, কমলিকা ডেকা, ইন্দ্ৰানী দেওঘৰীয়া, ৰিন্‌জা ৰিছা কৌশিক, নৱমল্লিকা ভাগৱতী, নীহাৰিকা শইকীয়া, অভিশ্ৰী ভৰদ্বাজ, অনিষা ভৰদ্বাজ, মুৰ্ছনা শৰ্মা, সম্যক প্ৰসন্ন দাস, ডা. বিপুল বৰুৱা, ড. ৰবীন গগৈ, অঙ্কুৰ দত্ত, ৰিপ কুমাৰ শইকীয়া, সুভাষ চৌধুৰী, দীপাঙ্কৰ ভাগৱতী, অনন্ত বৰা, উৎপল কিৰাৰা আৰু প্ৰণৱ বৰা। ৰঙালী বিহুৰ কেন্দ্ৰবিন্দু সদৃশ পৰম্পৰাগত হুঁচৰি পৰিৱেশনত অংশগ্ৰহণ কৰিছিল- ড. ৰবীন গগৈ, উৎপল



কিৰাৰা, ডা. বিপুল বৰুৱা, হিমাংশু শইকীয়া, উজ্জ্বল বৰা, প্ৰভাত বৰুৱা, অঙ্কুৰ দত্ত, দীপাঙ্কৰ ভাগৱতী, প্ৰণৱ বৰা, দেৱৰ্ষি দত্ত, ৰিপ কুমাৰ শইকীয়া, প্ৰণৱ সোণোৱাল, প্ৰিয়াঙ্কু ডেকা, অনন্ত বৰা, সিদ্ধাৰ্থ নাৰায়ণ বৰা, জয়দ্বীপ গোঁহাই আৰু ভাস্কৰ ৰাজ দত্তই। গৃহস্থ স্বৰূপে হুঁচৰিদলৰ আশীৰ্বাদ গ্ৰহণ কৰিছিল ডা. নিৰ্মল চন্দ্ৰ হাজৰিকা আৰু তেওঁৰ সহধৰ্মিনী চাৰু হাজৰিকাই।

এইবাৰৰ বিহু অনুষ্ঠানত অসমীয়া চলচিত্ৰ জগতৰ ভোটাতৰাস্বৰূপ প্ৰয়াত বিজু ফুকনৰ স্মৃতি ৰোমন্থন কৰা হয় তেওঁৰেই অভিনীত একাধিক ছবিৰ ওপৰত আধাৰিত এখন সুন্দৰ সংগীতালেখ্যৰে। সংগীতা দাসে পৰিকল্পনা



আৰু পৰিচালনা কৰা এই সংগীতালেখ্যত অংশগ্ৰহণ কৰা কিশোৰ-কিশোৰীসকল আছিল- জয়াদিত্য শইকীয়া, দীপাংশু কলিতা, সুশান্ত চৌধুৰী, নিশান্ত দাস, সম্যক প্ৰসন্ন দাস, প্ৰণৱ বৰুৱা, প্ৰিয়াশা কৌশিক, হৃশীতা বৰুৱা, দৰ্শনা দত্ত, সাগৰিকা চৌধুৰী, শিৱানী বৰুৱা, ধনিষ্ঠা শইকীয়া, এঞ্জেল বৰুৱা, প্ৰিঞ্চি বৰা, নম্ৰতা কাকতি, ইসিতা বৰুৱা, দেৱস্মিতা কাকতি, ঝিলমিল পাঠক, ৰিমঝিম পাঠক, টিনা কলিতা, পৰী শীল, আৰু শ্যামলিমা কাকতি। অসম ভৱনৰ কীৰ্ত্তন সংঘৰ মহিলাসকলৰ দ্বাৰা পৰিৱেশিত জেংবিহুত অংশগ্ৰহণ কৰিছিল- প্ৰতিভা লহকৰ, ভৈৰী দেৱী শীল, বিজুমণি ৰাজবংশী, গীতিকা ৰাজবংশী, পিঙ্কী তেৰণ, বাসন্তী বৰ্মন, গীতা কোঁৱৰ ডেকা, মীনুমনি দাস, ভৱানী দাস, পুতুল দাস, ৰশ্মি দেউৰী, জুৰি দেউৰী আৰু পুৰ্ণমতী শইকীয়াই। কলাগুৰু বিষ্ণু ৰাভা দেৱৰ সঙ্গীতৰ ওপৰত কথক শৈলীৰ আধাৰত প্ৰস্তুত কৰি উলিওৱা এটি নৃত্য পৰিৱেশন কৰিছিল নয়ডাৰ আছাম পিপুল্‌ছ ৱেলফেয়াৰ এছোচিয়েছনৰ কেইগৰাকীমান সদস্যাই। পৰিকল্পনা আৰু নিৰ্দেশনাত

আছিল কথক নৰ্তক হেমন্ত কলিতা আৰু শিল্পীসকল আছিল- শ্ৰেয়া, বিদুষী, আনিশা, প্ৰভা, ছাৰী, তনিষ্ঠা আৰু অনন্যা।

ৰঙালীৰ ৰঙেৰে হালি-জালি দৰ্শকসকলক মন্ত্ৰমুগ্ধ কৰা কুঁহিপাত দলৰ বিহুনৃত্য অনুষ্ঠানটি আছিল সেইদিনাৰ উৎসৱৰ অন্যতম আকৰ্ষণ। ইয়াত অংশগ্ৰহণ




কৰা বিহুৱা আৰু বিহুৱতীসকল আছিল- উৎপল কিৰাৰা, সিদ্ধাৰ্থ নাৰায়ণ বৰা, হিমাংশু শইকীয়া, উজ্জ্বল বৰা, প্ৰিয়াঙ্কু ডেকা, জয়দ্বীপ গোঁহাই, প্ৰণৱ সোণোৱাল, দেৱৰ্ষি, প্ৰণৱ বৰা, নীহাৰিকা, অঙ্কিতা, কঙ্কনা, তৃষ্ণা, অন্বেষা, হীনাক্ষি আৰু বৰ্ষা।

সৰ্বশেষত সেইদিনাৰ বিহু উৎসৱৰ মুখ্য আকৰ্ষণ আছিল অসমৰ পৰা আমন্ত্ৰণ কৰি অনা উদীয়মান কণ্ঠশিল্পীদ্বয় মৌচম গগৈ আৰু নিৰ্মালী দাসৰ গীতৰ শৰাই। শিল্পীদ্বয়ক এখনিকৈ ফুলাম গামোচা আৰু এটিকৈ ফুলাম জাপিৰে সম্বৰ্ধনা জনোৱা হয় আৰু তেওঁলোকৰ লগত সঙ্গত কৰা বাদ্যযন্ত্ৰীসকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। শিল্পীদ্বয়ৰ সঙ্গীতৰ মুৰ্চ্ছনাত সমূহ দৰ্শকবৃন্দ আপ্লুত হৈ পৰে। বিহুগীতৰ মূৰ্চ্ছনাত দৰ্শকবৃন্দইও মুকলিভাৱে বিহুনাচত আত্মহাৰা হৈ পৰে আৰু নিশা ১১ বজাত উদ্‌যাপনৰ সামৰণি পৰে।




আনবাৰৰ দৰেই এইবাৰো বিহুতলীত বিভিন্ন খাদ্য সম্ভাৰ আৰু বস্ত্ৰ তথা হস্তশিল্পজাত সামগ্ৰীৰ ভালেকেইখন বিপণিয়ে পৰিৱেশটো অধিক উপভোগ্য কৰি তুলিছিল।

*(বাতৰি ডা. হৰেশ্বৰ ডেকাৰ সৌজন্যত)*

# দ্বাৰকাত বিহু

ৰাজধানী দিল্লীৰ সৰ্বাধিক সংখ্যক অসমীয়াৰ বসবাস থকা দ্বাৰকাত যোৱা ২২ এপ্ৰিলৰ দিনা পৰম উলহ-মালহেৰে ৰঙালী বিহু উদ্‌যাপন কৰা হয়।''অসমীয়া কৃষ্টি কেন্দ্ৰ দ্বাৰকা''ৰ উদ্যোগত আৰু প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেন্টৰ নিবাসীসকলৰ সহযোগত আনকালৰ দৰে এইবাৰো প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেন্টৰ চৌহদত সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানেৰে বিহু উদ্‌যাপন কৰা হয়।

অসমৰ খ্যাতনামা বৰ্ষীয়ান শিল্পী-সাংবাদিক-লেখক শ্ৰী দিলীপ কুমাৰ হাজৰিকা তথা প্ৰাক্তন সাংসদ ড. অৰুণ শৰ্মা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা বন্তিপ্ৰজ্বলন আৰু স্মৰণিকা *"বৰদৈচিলা ২০১৮"* উন্মোচনেৰে আৰম্ভ হোৱা সাংস্কৃতিক সন্ধিয়াত স্থানীয় মহিলাসকলে বিষ্ণুৰাভা বিৰচিত ''বিশ্বৰ ছন্দে ছন্দে'' গীতটি সমৱেত কণ্ঠত পৰিৱেশন কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ ''অ' ফুল অ'ফুল নুফুল কিয়'' পদ্যটিৰ আধাৰত অকণ-অকণিহঁতে পৰিৱেশন কৰা নৃত্য-নাটিকা, চেমনীয়া সকলৰ বিহু আৰু বোৱাৰীসকৰ বিভিন্ন অসমীয়া জনগোষ্ঠীয় বিহুনৃত্যৰ তালমানৰ সমাহাৰ ঘটোৱা নৃত্যৰ প্ৰদৰ্শনে দৰ্শকসকলৰ ভূয়সী প্ৰশংসা লাভ কৰে। ইয়াৰ উপৰি ডাঙৰৰ হুঁচৰি আৰু বিহুনাচৰ লগতে ৰীম পাঠকৰ বিহুসুৰীয়া গীতে পৰিৱেশটো উপভোগ্য কৰি তোলে। সম্যক প্ৰসন্নৰ শুৱলা কণ্ঠৰ গীত আৰু অনুপ্ৰিয়া চক্ৰৱৰ্তীৰ মনোমোহা কথক নৃত্যই সোণত সুৱগা চৰায়। শেহত গুৱাহাটী দূৰদৰ্শনৰ ''সম্ভাৱনা''- খ্যাত উদীয়মান কণ্ঠশিল্পী নৱশ্ৰী তামুলী ফুকনৰ গীতৰ শৰাই অনুষ্ঠানে অসমীয়া-অনাঅসমীয়া সকলো শ্ৰোতা-দৰ্শককে মন্ত্ৰমুগ্ধ কৰি ৰাখে। প্ৰায় কুৰিখন সুন্দৰকৈ সজাই তোলা বিপণিয়ে ঘেৰি ৰখা এইবাৰৰ দ্বাৰকাৰ মুকলি বিহুতলীৰ পৰিৱেশ চালে চকুৰোৱা আছিল।



*(বাতৰি ঃ যোগাযোগৰ প্ৰতিনিধি)*

# গুৰগাঁৱতো ৰঙালীৰ ৰং

অসমীয়াৰ বাপতিসাহোন ৰঙালীক আদৰিবলৈ বিগত বৰ্ষৰ দৰে এইবাৰো গুৰগাওঁ স্থিত “অসম এচ’চিয়েচন গুৰগাঁও’ৰ সমূহ অসমীয়াই যোৱা ১৪ এপ্ৰিল তাৰিখে উলহ-মালহেৰে ৰঙালী বিহু উদযাপন কৰে। শিশু সকলৰ মাজত অনুষ্ঠিত কৰা চিত্ৰাঙ্কন প্ৰতিযোগিতাৰে দিনটোৰ আৰম্ভণি কৰা হয়। তাৰ পিচতে অনুষ্ঠিত হয় বিহুৱতী প্ৰতিযোগিতাৰ। সন্ধিয়া ৭ বজাত গুৰগাওঁৰ ‘সত্ৰীয়া সংস্কৃতি কেন্দ্ৰ’ই পৰিবেশন কৰা গায়ন বায়ন, কৃষ্ণ নৃত্য আৰু চালি নৃত্যৰে সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। গুৰগাওঁৰ স্থানীয় ৰাইজে পৰিবেশন কৰা সমবেত সঙ্গীতে পৰিৱেশটো মধুৰ কৰি তোলে। অসম



এ’চচিয়েচন, গুৰগাঁৱৰ উপ-সভাপতি শ্ৰীমতী নিবেদিতা হাজৰিকাই উপস্থিত দৰ্শকবৃন্দক সম্বোধন কৰি সকলোলৈ ৰঙালী বিহুৰ ওলগ জনায়। আমন্ত্ৰিত বিশিষ্ট অতিথিসকলে বন্তি প্ৰজ্বলন কৰি অসম এ’চচিয়েচন, গুৰগাঁৱৰ বাৰ্ষিক মুখপত্ৰ ‘সমন্বয়’ৰ দ্বাদশ খণ্ডটি উন্মোচন কৰে। লগতে অসমীয়া নৱবৰ্ষ উপলক্ষে এখনি সুন্দৰ অসমীয়া কেলেণ্ডাৰ উন্মোচন কৰা হয়।

অনুষ্ঠানৰ পৰবৰ্তী সময়ছোৱাত ব’হাগক ঢোলৰ চাপৰেৰে আদৰি উপস্থিত দৰ্শকক আপ্লুত কৰিলে যোৰহাটৰ ‘গামোচা হুঁচৰি দল’ৰ হুঁচৰিয়ে। তাৰ পিচতেই গুৰগাওঁৰ কণ কণ ল’ৰা-ছোৱালী এজাকে পৰিৱেশন কৰা বিহুনাচে পৰিৱেশটোত বহাগৰ ৰং সানি দিয়ে। কণমানিহঁতে কৰা এই প্ৰয়াসে উপস্থিত দৰ্শকৰ বিপুল সমাদৰ লাভ কৰে।

দৰ্শকসকলৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰা এই সাংস্কৃতিক সন্ধিয়াটোৰ অন্তিম পৰ্বত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবলী বৰুৱাই নিজৰ গীতৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সামৰণি মাৰে।

*(বাতৰি ঃ নিশিত ৰাজখোৱাৰ সৌজন্যত)*

# নয়ডাত ৰঙালী বিহু

জন্মভূমিৰ পৰা যোজন দুৰত্বত থাকিলেও ৰঙালী বিহুটিয়ে আমাক শিপাৰ সসতে সাঙুৰি ৰখাত সহায় কৰে। নয়ডাৰ আসাম পিপ'লচ ৰেলফেয়াৰ এছোচিয়েছৰ (APWA) উদ্যোগত নয়ডাৰ ছেক্টৰ ৬১ স্থিত RWA ককমিউনিটি চেন্টাৰত যোৱা ২০ আৰু ২১ এপ্রিলত দুদিনীয়া কাৰ্য্যসূচীৰে অতি উলহ মালহেৰে একেধাৰে পঞ্চম বৰ্ষৰ বাবে ৰঙালী বিহু উদ্‌যাপন কৰা হয়।

২০ এপ্রিলৰ মুখ্য কাৰ্যসূচী বিশেষকৈ এছোচিয়েছনৰ পৰিয়াল-



বৰ্গ আৰু সদস্যসকলৰ বিভিন্ন মনোগ্রাহী অনুষ্ঠানৰ মাজতে সীমাৱদ্ধ ৰখা হয়। মৌ-কুঁৱৰী প্রতিযোগিতা আৰু 'শংখনাদ' বেণ্ডৰ মনোমোহা সংগীত আছিল সেই দিনটোৰ মুখ্য আকৰ্ষণ। এটি সুমধুৰ সমবেত সংগীতেৰে মুকলি কৰা ২১ এপ্রিলৰ সন্ধিয়াৰ কাৰ্যসূচীৰ মুখ্য আকৰ্ষণ আছিল অসমৰ সংগীত জগতৰ জনপ্রিয় কন্ঠশিল্পী সুগায়িকা গীতালি কাকতি। অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ বিখ্যাত চলচিত্র প্রযোজক উৎপল বৰপূজাৰীদেৱক তেখেতৰ চলচিত্র Ishu ৰ সফলতাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। লগতে ভাস্কৰজ্যোতি মহন্তদেৱৰ উপস্থিতিয়ে অনুষ্ঠানটিৰ সৌষ্ঠৱ বঢ়ায়। এইখিনিতে উল্লেখনীয় যে নয়ডাৰ ৰঙালী বিহু উদযাপনৰ সমগ্র কাৰ্যসূচীত স্থানীয়

শিল্পীসকলৰ অংশগ্ৰহণক বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হয়। মুলতঃ উঠি অহা শিশু, কিশোৰ-কিশোৰী আৰু চেম নীয়াসকলক ৰাভা সংগীত, নাম আদি বিভিন্ন কাৰ্যসূচীৰে বিহুটিৰ স’তে ওতপ্ৰোত ভাৱে জড়িত কৰাবলৈ লোৱা যি যত্ন তাৰ বাবে অনুষ্ঠানটোৰ সাংস্কৃতিক কমিটীৰ সদস্যসকল বিশেষভাৱে কৃতজ্ঞতাৰ পাত্ৰ।



দিল্লীস্থ বিখ্যাত কথক গুৰু শ্ৰী হেমন্ত কলিতাৰ একক নৃত্য প্ৰদৰ্শনৰ লগতে নৃত্যপটিয়সী তন্বী শৰ্মাৰ আকৰ্ণীয় নৃত্যানুষ্ঠান আছিল এইবাৰৰ বিহুৰ অন্যতম মুখ্য আকৰ্ষণ। তদুপৰি ৰঙালী বিহুৰ সৈতে ৰজিতা খুৰাই এছোচিয়েছনৰ তৰফৰ পৰা এখন মুখপত্ৰ ‘জাগি’ প্ৰকাশ কৰা হয়।

*(বাতৰি ঃ ৰঞ্জু শৰ্মাৰ সৌজন্যত)*


# Packers & Movers
## Assam Dooars Logistics

Guwahati : 9864042023, 9854849637

Tinsukia : 9864147344, 9085107761

Bongaigoan :9864477616,9435021374

Delhi : Chaman Plaza, Opp : ISKCON, East of Kailash, New Delhi–110065

**Tel : 011-32621128, 9212248342, 9811348342**

(Service all Over North East)

# ফৰিদাবাদত বিহু উদ্‌যাপন

অসম এছোচিয়েছন, ফৰিদাবাদৰ উদ্যোগত এইবেলি প্ৰথমবাৰৰ বাবে আড়ম্বৰপূৰ্ণভাৱে ৰঙালী বিহু উদ্‌যাপন কৰা হয় যোৱা ২১ এপ্ৰিলৰ দিনাখন HUDA Community Centre ত। এছোচিয়েছনৰ সাধাৰণ সম্পাদক শ্ৰী ইজাজ হুচেইনৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা ৰঙালী বিহুৰ সাংস্কৃতিক সন্ধিয়াত মুখ্য অতিথি ন্যায়াধীশ ড. মুকুন্দ কাম শৰ্মাৰ উপৰি সন্মানীয় অতিথি শ্ৰী বিনয়ব্ৰত শৰ্মা, মেজৰ জেনেৰেল শ্ৰী অনন্ত ভূঞা আৰু মেজৰ জেনেৰেল শ্ৰী ৰাণা প্ৰতাপ কলিতাৰ উপস্থিতিয়ে সৌষ্ঠৱ বঢ়ায়। বন্তি প্ৰজ্বলনৰ আগেয়ে বিশিষ্ট অতিথিসকলক এছোচিয়েছনৰ কাৰ্য্যনিৰ্বাহকৰ সদস্যসকলে এখনিকৈ ফুলাম গামোচা আৰু শৰাইৰে সম্বৰ্ধনা জনায়। ইয়াতে, এছোচিয়েছনৰ বছৰেকীয়া মুখপত্ৰ ''উদয়ন''উন্মোচন কৰে মুখ্য অতিথি ন্যায়াধীশ ড. মুকুন্দ কাম শৰ্মাদেৱে। এছোচিয়েছনৰ সভাপতি শ্ৰী পঙ্কজ কুমাৰ দাসে তেখেতৰ ভাষণত সকলোকে আদৰণি জনায় আৰু অসম এছোচিয়েছন, ফৰিদাবাদে কৰি অহা বিভিন্ন কাম-কাজবোৰৰ আভাস দাঙি ধৰে।



এছোচিয়েছনৰ তত্বাৱধানত সাগৰীকা হাজৰিকাই পৰিচালনা কৰা এটা বিহু কাৰ্যশালৰ ফলশ্ৰুতি স্বৰূপ অকণ-অকণিহঁতৰ বিহু নাচ, অসমৰ বিহুগীত, গোৱালপৰীয়া গীত, ঝুমুৰ, জিকিৰ আদিকে ধৰি বৰ্ণাঢ্য সাংস্কৃতিক সংৰছনাৰ প্ৰতিফলন ঘটোৱা এটি সমৱেত সংগীত আৰু কুঁহিপাত বিহুদলে পৰিৱেশন কৰা হুঁচৰি আৰু প্ৰাণোচ্ছল বিহুনাচে পৰিৱেশটো সঁচা অৰ্থত উছৰমুখৰ কৰি তোলে। শেহত অসমৰ পৰা বিশেষভাৱে আমন্ত্ৰণ কৰি অনা জনপ্ৰিয় কণ্ঠশিল্পী নীল আকাশ আৰু তেওঁৰ সহযোগী দীপশিখাকে ধৰি শিল্পীৰ দলটোৱে তেওঁলোকৰ বিভিন্ন জনপ্ৰিয় গীতেৰে উপস্থিত বিহুবলিয়া ৰাইজক অপাৰ আনন্দ দিয়ে।

*(বাতৰি ঃ ঋতুপৰ্ণ বৰুৱাৰ সৌজন্যত)*

# কীৰ্ত্তন সংঘৰ বিহু

অসম ভৱনৰ ‘‘কীৰ্ত্তন সংঘ’’ই যোৱা ৭ ব’হাগ (২১ এপ্ৰিল) শনিবাৰে বিগত বছৰবোৰৰ দৰেই পৰম্পৰাগত উলহ-মালহেৰে বাপতি সাহোন ৰহালী বিহু উৎসৱটি উদ্‌যাপন কৰে। সংঘৰ কণ-কণ ল’ৰা-ছোৱালীবিলাকৰ দ্বাৰা গীত-মাত-নৃত্য আদি পৰিৱেশন এই বিহু উৎসৱৰ উল্লেখযোগ্য আকৰ্ষণ আছিল। মন কৰিবলগীয়া কথা এয়েই যে ‘‘কীৰ্ত্তন সংঘ’’ই সদায়েই নিজস্ব প্ৰচেষ্টাৰে তেওঁলোকৰ কণ-কণ ল’ৰা-ছোৱালীবিলাকক উপযুক্ত প্ৰশিক্ষণেৰে গীত-মাত-নৃত্য আদি পৰিৱেশনত উদগনি দি আহিছে।‘কীৰ্ত্তন সংঘ’ৰ বিহু উৎসৱৰ আন এটা বৈশিষ্ট্য হ’ল অতিথি পৰায়ণতা। দৰাচলতে আমন্ত্ৰিত ৰাইজক সেৱা সৎকাৰ কৰাত যৎপৰোনাস্তি চেষ্টা কৰাটো কীৰ্ত্তন সংঘৰ পৰম্পৰাগত নীতি। এইবাৰো ৰঙালী বিহুৰ সাংস্কৃতিক সন্ধিয়ালৈ যোৱা অতিথিসকলক আথে-বেথে বহুৱাৰ পৰা তেওঁলোকৰ খোৱা-বোৱালৈকে সকলোতে যত্ন লোৱা হয়। এনে সুব্যৱস্থাৰে পৰিপক্ক সেৱা সৎকাৰ আগবঢ়োৱাৰ বাবে অভ্যাগতসকলে কীৰ্ত্তন সংঘৰ ভূয়সী প্ৰশংসা কৰে।

*(বাতৰি ঃ ৰমেন কুমাৰ দাসৰ সৌজন্যত)*

*Matrimonial*

**Looking for Groom**

Assamese Brahmin Girl- Post Graduated (Sc) from DU working in Delhi age 29 yrs. 4 months- Mithun Rashi Debagaon Sandilya Gotra is looking for Assamese Brahmin groom working in Delhi or surraounding 30 to 33 yrs.

Please contact: 9954077227

## ১১ মে’ ত মুক্তি পাব...




## দিল্লীৰো ছবিঘৰত...

